কলাকাৰ আৰু গণিতজ্ঞ : এজন অস্তিত্বহীন অতি-প্ৰতিভাৱান গণিতজ্ঞ নিক’লা বহবাকীৰ কথা

# ১০ম অধ্যায় : ক্লড লেভী আৰু সংগ্ৰথনবাদ


**আমিৰ এক্‌জেল • অনুবাদ : ড০ খনীন চন্দ্ৰ চৌধুৰী**

অনুবাদক: এমেৰিতাছ প্ৰফেছৰ, গুৱাহাটী বিশ্ববিদ্যালয়


*(আমিৰ এক্‌জেলৰ (Amir Dan Aczel) ‘The Artist and the Mathematician: The Story of Nicolas Bourbaki, the Genius Mathematician Who Never Existed’ গ্ৰন্থৰ অনুবাদ।)*

সংগ্ৰথনবাদ বৌদ্ধিক অনুসন্ধানৰ এক প্ৰণালী। ই যোগান ধৰে এক সজ্জাক সংগঠিত কৰিবলৈ আৰু মানৱ অধ্যয়নৰ বিভাগসমূহক বুজিবলৈ বুলি। ইয়াত বুজা কথাটোৱে সূচায়, অৰ্থ (meaning) আৰু বোধৰ (perception) ফল বা উৎপাদনক (production)।

সংগ্ৰথনবাদ পাৰস্পৰিক আৰু বহু শৃংখলা যুক্ত। ই গণিত আৰু দৰ্শন, ভাষাবিজ্ঞান, নৃতত্ব আৰু সাহিত্য সমালোচনাকো প্ৰভাৱ বিস্তাৰ কৰি আছে।

সংগ্ৰথনবাদৰ ভুমুকিয়ে মানৱ চিন্তাৰ ক্ষেত্ৰত এক বিপ্লৱ সাব্যস্ত কৰিছিল। ইয়াৰ ধাৰণা বিকশিত হৈছিল বিজ্ঞান আৰু গণিতত। মানৱ চিন্তাৰ আন আন বিভাগসমূহকো ই সোনকালেই দখল কৰি লৈ আক্ৰমণাত্মক হৈ পৰিছিল। কুৰি শতিকাৰ মধ্যভাগত, পশ্চিমত সংগ্ৰথনবাদ হৈ পৰিছিল এক প্ৰবল বৈশিষ্ট্যৰ দৰ্শন। ফ্ৰান্সত ১৯৬০ ৰ সংগ্ৰথনবাদী আন্দোলনেৰে, এক বিশাল পৰিসৰেৰে ই উচ্চশিখৰ পাইছিলগৈ। এই আন্দোলন কৃতকাৰ্য হৈছিল অগ্ৰগণ্য অস্তিত্ববাদী ফৰাছী দৰ্শনেৰে। যুদ্ধান্তৰ্বৰ্তী কালছোৱাত অতি শুদ্ধভাৱে বীজ ৰোপণেৰে সংগ্ৰথনবাদ আন্দোলন বিষয়ক প্ৰথমটো ধাৰণা আৰম্ভ হৈছিল প্ৰাগ-লিংগুইষ্টিক-চাৰ্কোলত। এই আন্দোলনৰ গুৰিধৰা সদস্য গৰাকী আছিল– ৰাছিয়ান ভাষাবিজ্ঞানী ৰোমান জেকবছন। ‘সংগ্ৰথনবাদ’ বা ‘ষ্ট্ৰাকচাৰেলিজিম’ পদটো পোন প্ৰথম ব্যৱহাৰ কৰিছিল এই সমাজখনে– ১৯২৯ অৰ আশে-পাশে। ছবছৰ পাছত ইয়াক ব্যৱহাৰ কৰিছিল বহবাকীয়ে। মন কৰিবলগীয়া যে বহবাকীৰ আগৰ বহুতো গণিতজ্ঞই সংগ্ৰথনৰ সন্ধানত আছিল। প্ৰকৃততে সংগ্ৰথনক এক ধাৰণা হিচাপে চাব পাৰি, যিটো ধাৰণা গাণিতিক ক্ৰিয়া-কলাপত আৰু সংজ্ঞাত বশীকৰণীয় হৈ পৰে। ই গণিতৰ পৰা ইয়াৰ শক্তিৰ বিকাশ ঘটায়।

সংখ্যাৰ মাজৰ সম্পৰ্ক, বীজগণিতীয় প্ৰণালী আদিকে ধৰি, গণিতৰ সকলোখিনিকেই চাব পাৰি সংগ্ৰথনৰ এক অনুসন্ধান হিচাপে। উদাহৰণস্বৰূপে, ‘গ্ৰুপৰ সংগ্ৰথন’ৰ বিষয়টোত ছোফাছ লী আছিল সেই বিষয়ত ইচ্ছুক বা আগ্ৰহী। সেয়া ১৮৮০ ৰ কথা। কিন্তু গণিতজ্ঞ বা ভাষাবিদক বাদ দিও, ফৰাছী নৃতত্ববিদ ক্লড লেভী-ষ্ট্ৰ্যাছ, তেনে এজন মানুহ যি ‘সংগ্ৰথনবাদৰ পিতৃ’ হিচাপে কৃতিত্ব পোৱাৰ যোগ্য। লেভী-ষ্ট্ৰ্যাছে এই স্বীকৃতিখিনি

পাইছিল এটা কাৰণতেই যে, তেওঁ ভাষাবিজ্ঞানৰ লগতে গণিতৰ অধিকাংশৰ মাজতেই সোমাই থকা, নৃতত্ত্বতো ফলপ্রসূ হোৱাকৈ আৰু মানৱৰ কামত লগা আন বহুতো শাখাত ব্যৱহাৰোপযোগী হোৱাকৈ সংগ্ৰথনবাদক এক ধাৰণা কৰি ল'ব পাৰিছিল। বিশ্লেষণৰ বহল পৰিসৰৰ প্ৰয়োগেৰে কামত অহাকৈ, আৰু বৰ শক্তিশালী হাতিয়াৰ কৰি এক শৈক্ষিক বা পূৰামাত্ৰায় বৌদ্ধিক ধাৰণাক পৰিৱৰ্তিত ৰূপেৰে আনি লৈছিল। ভাষাবিজ্ঞানত সংগ্ৰথনবাদে প্ৰথম ভুমুকি মাৰোঁতে, বিশেষকৈ বহবাকীৰ কৰ্মত, গণিত হৈ পৰিছিল সেই ক্ষেত্ৰখন, যাৰ মাজত, কুৰি শতিকাৰ সংগ্ৰথনবাদী বৌদ্ধিক আন্দোলনটোৱে ইয়াৰ ক্ষমতা আৰু অৰ্থক উলিয়াই লৈছিল।

সংগ্ৰথনবাদৰ মৌলিক নীতিটো হৈছে এনে ধৰণৰ: সকলো মানৱীয় আচৰণৰ উৎস হৈছে মানুহৰ মন মগজত ৰৈ থকা এক সহজাত সংগঠন কৰিব পৰা সক্ষমতা। মানৱ মগজত লীন হৈ থকা বা লুকাই থকা এই সংগঠন কৰি ল'ব পৰা ক্ষমতাখিনিয়ে জন্ম দিয়ে ভাষাৰ। কিন্তু আনহাতে, মগজত লুকাই ৰোৱা সেই একে সংগঠনসমূহে লৈ যায় গল্প বা পৌৰাণিক কথা, সৃষ্টিশীলতা, আৰু বিভিন্ন ধৰণৰ সামাজিক ঠাঁচলৈয়ো বুলি। এনেদৰে সেই একে গঠনসমূহক অধ্যয়নৰ জৰিয়তে মনোবিজ্ঞান, আৰু সমাজ-বিজ্ঞান আদিৰ দৰে ক্ষেত্ৰবোৰত চিহ্নিত কৰি ল'ব লাগে। আৰু প্ৰকৃতাৰ্থত, মানৱ মগজত 'প্ৰগ্ৰেম' হৈ থকা এনে গঠনবোৰে, নিজকেই এইবোৰ ক্ষেত্ৰৰ অধ্যয়নৰ মাজেৰে ব্যক্ত কৰে।

সংগ্ৰথনবাদে 'অংশ আৰু সমগ্ৰ'ৰে 'সম্বন্ধ'ৰ (relation) সৈতে খেলা কৰে। নিয়মাধীন সামগ্ৰিকতাই ব্যক্তি-অংশৰ ওপৰত প্ৰাধান্য ৰাখে। আৰু ইয়াতেই সংলগ্ন কৰি থোৱা টুকুৰাবোৰতকৈ সম্বন্ধখিনি বেছি দৰকাৰী বিবেচিত হয়। লুকাই থকা গঠনটো যিকোনো পৰিস্থিতিতেই অতি স্বাভাৱিক বা ফটফটীয়া বিবেচিত হোৱাখিনিতকৈ অধিক দৰকাৰী হয়। ইয়াত প্ৰতীক বা চিহ্নই বুজোৱা 'এণ্টিটি'তকৈ (অস্তিত্বজড়িত বস্তুতকৈ) গুৰুত্ব পায় 'প্ৰতীক' বা 'চিহ্ন'ইহে। বিজ্ঞানক নেওচি আন ক্ষেত্ৰবোৰতো গঠনৰ দাৰ্শনিক উপাংশসমূহৰ বাবে আমি সংগ্ৰথনৰ ধাৰণাক পাওঁ। উদাহৰণস্বৰূপে, দাৰ্শনিক জ্যাক ডেৰিডা আৰু মিচেল ফুকো, সংগ্ৰথন-পাৰংগত ভাষাবিজ্ঞানী ৰোমান জেকবছন, আৰু নিকোলাই ট্ৰুবেট্জকয়ৰ লেখীয়া। এই শৃংখলাৰ সন্ধান উলিওৱাত এওঁলোকৰ ধাৰণায়েই সহায় কৰিছিল। এইসকলৰ ভিতৰত মনোবিজ্ঞানী জেক লেকান আৰু জ্যঁ পিয়েজেই আদিও আছে।

~ o ~

ক্লড লেভী-ষ্ট্ৰাছৰ জন্ম হৈছিল ব্ৰুছেল্ছত – ফৰাছী মাক-দেউতাকৰ ঔৰসত, ১৯০৮ অৰ ২৮ নবেম্বৰত। তেওঁৰ আছিল এটা বৌদ্ধিক-মূলৰ পৰিয়াল। পৰিয়ালটোৰ সদস্যবোৰৰ ভিতৰত আছিল চিত্ৰকৰ আৰু বেহেলাবাদক। এই ল'ৰাজনৰ জীৱনৰ প্ৰভাৱশীল অংশটো আছিল প্ৰকৃতি আৰু কলা। গাঁৱৰফালে মাক-দেউতাকে এটা ঘৰ কিনিছিল, বৰ আনন্দমনে তেওঁ কেইবা ঘণ্টা ধৰি সময় কটাইছিল বেগাই খোজ কাঢ়ি বা হাইকিং কৰি – দিনে প্ৰায় দহ-পোন্ধৰ ঘণ্টা ধৰি। কলা আৰু বাস্তৱৰ মাজত এখন স্থান চিহ্নিত কৰি লোৱাৰ মনেৰে ক্লড লেভীয়ে বিচাৰিছিল পৰিৱেশতকৈ যুক্তিক স্থান দিবলৈ বুলি সৌন্দৰ্যৰ মৌলসমূহৰ মাজত। আনকি বোধ আৰু অনুভৱে চলাই নিয়া যুক্তিৰ এই অনুসন্ধানেই তেওঁক লৈ আহিছিল সংগ্ৰথনবাদৰ ধাৰণালৈ। হাইস্কুলীয়া দিনৰ পৰায়েই ক্লড লেভী-ষ্ট্ৰাছ ৰাজনীতিকে ধৰি সামাজিক সমস্যাবোৰৰ প্ৰতিও মনযোগী আছিল। আৰু এই আকৰ্ষণেই তেওঁক লৈ গৈছিল মানৱ সমাজৰ প্ৰকৃতিৰ অধ্যয়নৰ ফালে। নৃতত্ত্ব, এই সময়ত শৈশৱতে আছিল, ই আজিৰ দৰে বিজ্ঞান হৈ পৰা নাছিল। লেভী-ষ্ট্ৰাছেই নৃতত্ত্বক আধুনিক বিজ্ঞানত পৰিণত কৰে। তেওঁ সামাজিক আৰু ৰাজনৈতিক বিষয়সমূহৰে জড়িত হৈ থকাৰ কাৰণেই ১৯২৮ চনত ফৰাছীৰ ফেডাৰেছন অৰ ছচিয়েলিষ্ট ষ্টুডেণ্ট্ছৰ জেনেৰেল ছেক্ৰেটৰী নিৰ্বাচিত হৈছিল। তেওঁ

এটা ছ'চিয়েলিষ্ট ফৰাছী ডেপুটিৰ ছেক্রেটৰী হিচাপেও কৰ্মৰত হৈছিল। কিন্তু সোনকালেই লেভী-ষ্ট্রাছে তেওঁৰ ৰাজনৈতিক কৰ্ম এৰিবলগীয়া হৈছিল, গতিকে তেওঁ কঠোৰ অধ্যয়ন কৰিব পৰা হৈছিল– তেওঁৰ দৰ্শনৰ ডিগ্রীৰ বাবে। সেই ফল তেওঁ লাভ কৰিছিল **১৯৩১** চনত। তেওঁ শ্ৰেণীত তৃতীয় হৈছিল।

জাতিবিজ্ঞানী (ethnologist) হিচাপে তেওঁৰ কেৰিয়াৰৰ যাত্রা হৈছিল, তেওঁৰ উৎকৃষ্ট ৰচনা 'Tristes Tropiques'ত (**১৯৫৫** অত প্রকাশ পোৱা) বিস্তাৰিত বৰ্ণনাত পোৱা মতে **১৯৩৪** অৰ এদিনাখন দেওবাৰে। সেইদিনাখন, তেওঁ এটা 'টেলিফোন-কল' পাইছিল পেৰিছৰ ইকোল নৰ্মেল ছুপিৰিয়ৰৰ ডাইৰেক্টৰ চেলেষ্টিন ব'গ'ৰ পৰা। ব'গ'ৰে লেভী-ষ্ট্রাছক পৰামৰ্শ দিছিল তেওঁ দিয়া সন্মতিটো উল্লেখ কৰি। তাত আছিল– প্রার্থীসকলৰ তালিকাত তেওঁৰ (লেভী-ষ্ট্রাছৰ) নামটো থ'বলৈ বুলি কৈছে। নামটো হৈছে ছচিয়ল'জিৰ এগৰাকী অধ্যাপকৰ পদৰ বাবে। পদটো, ব্রাজিলৰ ছাও পাউলো বিশ্ববিদ্যালয়ত। (লেভী-ষ্ট্রাছে সোঁৱৰা অনুসৰি, জটিলতা এৰি ব'গ'ৰে ভাবিছিল– সহজভাৱেই যে ব্রাজিলীয় মেট্রোপলিৰ আশ-পাশ অঞ্চল নেটিভ ইণ্ডিয়ানেৰে ভৰি আছে। এবাৰ সেই পদবীটোৰ বাবে লেভী-ষ্ট্রাছ নিৰ্বাচিত হ'লে, ব'গ'ৰে তেওঁক পৰামৰ্শ দিব এইসমূহ আশ-পাশৰ নেটিভসকলৰ বিষয়ে অধ্যয়ন কৰিবলৈ বুলি।) এই সুযোগটোত লেভী-ষ্ট্রাছ এই কাৰণতেই জঁপিয়াই পৰা নাছিল যে, তেওঁ এডভাঞ্চাৰ ভাল পাইছিল বা ভ্রমণ প্রিয় আছিল। বৰঞ্চ, কাৰণটো আছিল এইটোহে যে, তেওঁ কল্পনাশীল দৰ্শনৰ পৰা আঁতৰিব খুজিছে। আৰু মগন হ'ব খুজিছে সদ্যচৰ্চিত নৃতত্বৰ বিজ্ঞানত।

ব্রাজিলত ক্ষেত্র-অধ্যয়ন কৰি ৰওঁতে গম পাইছিল যে, আমেৰিণ্ডিয়ান ভাষাসমূহক শ্রেণীবিভাজন কৰোঁতে, তেওঁ এক বৃহৎ কঠিনতাৰ সমূখীন হৈছে। তেওঁৰ অতি আকৰ্ষণৰ থলীখন আছিল ভাষাবিজ্ঞান। আৰু ইয়াৰ মূলত আছিল, সমাজ-বিজ্ঞানবোৰৰ মাজত এই ক্ষেত্রখনৰ থকা বিশেষ স্থানখন। তাৰোপৰি ইয়াৰ মাজত নিহিত হৈ ৰোৱা কাৰণটো আছিল– ইয়াৰ সঠিক পদ্ধতি আৰু বিশ্লেষণসমূহ। তেওঁ সমুখীন হোৱা সমস্যাসমূহ সমাধান কৰি দিবলৈ বুলি সক্ষম হোৱা ভাষাবিদসকলক বিচাৰি আছিল। পিছে কিছু বছৰ পাছলৈকে ই হৈ উঠা নাছিল। সেয়া ঘটিছিল নিউয়ৰ্কত, যেতিয়া তেওঁক সেই সহায় কৰিব পৰা এজন ভাষাবিদক লগ পাইছিল।

লেভী-ষ্ট্রাছ **১৯৩৯** অত ফ্রান্সৰ ঘৰলৈ উভটিছিল। পিছে সেই সঠিক সময়খিনিত তেওঁ ঘৰলৈ আহিছিল অকল এৰি যাবলৈ বুলিহে: তেতিয়া দ্বিতীয় মহাযুদ্ধ আৰম্ভ হৈছিল। আৰু আগবাঢ়ি আহি থকা নাজীসকলৰ পৰা তেওঁ সাৰিবলগীয়া হৈছিল। কাৰণটো আছিল, তেওঁ ইহুদী আছিল। পিছে তেওঁ সৌভাগ্যৱান আছিল এটা কাৰণত যে, নিউয়ৰ্কৰ নিউস্কুলত সমাজ গৱেষণাৰ বাবে এটা অধ্যাপকৰ পদ ল'বলৈ আমন্ত্রিত হৈছিল। সময়ত, লেভী-ষ্ট্রাছ 'কেপিটেইন পউল লেমাৰ্লে'ত উঠিছিল আমেৰিকা অভিমুখী হৈ। এই জাহাজখনেৰে তেওঁৰ লগত সেই যাত্রাত ইউৰোপলৈ পলাবলৈ বুলি সহযাত্রী হৈছিল আৰু কেইগৰাকীমান ইউৰোপীয় বুদ্ধিজীৱী।

ক্লড লেভী-ষ্ট্রাছ নিউয়ৰ্কৰ নিউস্কুল আহি পোৱাৰ লগে লগেই তেওঁক তেওঁৰ নামটো শীঘ্রেই সলাই ল'বলৈ পৰামৰ্শ দিয়া হৈছিল। কোৱা হৈছিল যে, যদি তেওঁ নামটো সলাই নলয়, তেনেহ'লে আমেৰিকাত তেওঁ লগ পোৱা প্রতিজনেই ধৰি ল'ব যে তেওঁ নীলা জিন্‌ছৰ কিনা-বেচা ব্যৱসায় কৰি আছে।[1] সেয়ে আমেৰিকাত থাকোঁতে ক্লড লেভী-ষ্ট্রাছক জনা গৈছিল ক্লড এল. ষ্ট্রাছ নামেৰেহে। হ'লেও, ই ভুলৰ অৱকাশ নোহোৱা কৰা নাছিল। আমোদজনকভাবে, তেওঁ পাছত মনত পেলাইছিল যে, এনে এটা বছৰ পাৰ হৈ যোৱা নাছিল, যিটো বছৰত তেওঁ কমেও এযোৰ জীন্‌ছৰ অৰ্ডাৰ নোপোৱাকৈ আছিল; সাধাৰণতে আফ্রিকাৰ ক'ৰবাৰ পৰা।

[1] Levi Strauss & Co. ১৮৫৩ চনত প্রতিষ্ঠা হোৱা এটি আমেৰিকান বস্ত্র-ব্যৱসায়ী প্রতিষ্ঠান।

নিউস্কুলত লেভী-ষ্ট্ৰাছে লগ পাইছিল ৰাছিয়ান ভাষাবিদ ৰোমান জেকবছনক। তেওঁ ফ’নল’জিত সংগ্ৰথনিক ধাৰণা সুমুৱাবলৈ আৰম্ভ কৰিছিল। এইক্ষেত্ৰত তেওঁ অনুসৰণ কৰিছিল পূৰ্বৰ ধাৰণাবোৰৰ বিকাশ ঘটোৱা আন এগৰাকী ৰাছিয়ান ভাষাবিদক। তেওঁ হ’ল কাউণ্ট নিকোলাই ট্ৰুবেট্জকয়। জেকবচনে এই নতুন ধাৰণাবোৰক পৰীক্ষা কৰি আছিল তেওঁ শিকোৱা সাংগ্ৰথনিক ফ’নল’জিৰ ওপৰত। তেওঁ সেই পাঠ্যক্ৰম শিকাই আছিল ফৰাছীত। লেভী-ষ্ট্ৰাছে জেকবছনৰ সেই পৰীক্ষামূলক শ্ৰেণীবোৰত উপস্থিত আছিল। আৰু বৰ আশাদায়ক উৎসাহ পাইছিল। জেকবছনে পুনৰ ঘূৰি নিউস্কুলৰ লেভী-ষ্ট্ৰাছৰ মানৱ সম্পৰ্কীয় পাঠ্যক্ৰমখিনিক পৰীক্ষা কৰিছিল। এই দুই ব্যক্তিয়ে পৰস্পৰে ইটোৱে সিটোক টুকুৰীয়াই চাইছিল আৰু অন্তিমত বৰ ওচৰৰ বন্ধু হৈ পৰিছিল। তেওঁলোকৰ এই বন্ধুত্ব জীৱনজুৰি আছিল। এই দুগৰাকী প্ৰতিভাৱানৰ সহযোগতেই তেওঁলোকৰ নিজা নিজা যথা ক্ষেত্ৰৰ মাজেৰে সংগ্ৰথনবাদে জনম লভিছিল।

জেকবছনক লেভী-ষ্ট্ৰাছৰ ডক্টৰেল ডিচাৰ্টেছনখনে বৰকৈ আকৰ্ষণ কৰিছিল। লেভী-ষ্ট্ৰাছে সেইখন জেকবছনক দেখুৱাইছিল। জেকবছনে, ডিচাৰ্টেছনখন সম্ভাব্য প্ৰকাশৰ বাবে সম্পাদনা কৰি ল’বলৈ বন্ধুক জোৰ কৰিছিল। সঁচাকৈয়ে এই মৌলিক ডিচাৰ্টেছনখন **১৯৪৩** চনত প্ৰকাশ হৈ ওলাইছিল ‘এলিমেণ্টেৰী ষ্ট্ৰাকচাৰ্ছ অব কিনশ্বিপ’ (কিনশ্বিপৰ প্ৰাথমিক গঠন) শিৰোনামেৰে। সময়ত, নৃতত্ত্বত এইখন এখন অতি আৱশ্যকীয় কিতাপ হিচাপে আৰু লগতে বিজ্ঞানৰ সকলোৰে মাজত এখন ক্লাচিক্স হিচাপে স্বীকৃত হয়।

কিন্তু লেভী-ষ্ট্ৰাছে থেছিচখন ছপা কৰিবলৈ সাজু হওঁতে, তেওঁ বুজি পালে যে, তেওঁৰ কামখিনি অসম্পূৰ্ণ হৈ আছে। থেছিচখন আছিল অষ্ট্ৰেলীয় আদিবাসী সমাজৰ সদস্যৰ মাজত বৰ্তি ৰোৱা ‘সম্পৰ্কীয় প্ৰণালী’ৰ সম্পৰ্কত। ই ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল– কি কাৰণতনো কোনো এক বিশেষ গোষ্ঠীৰ মানুহৰ মাথোন অন্য এক বিশেষ গোষ্ঠীৰ মানুহকহে বিয়া কৰাবলৈ অনুমতি আছিল আৰু আনসকলৰ ক্ষেত্ৰত বাধা আছিল। গৱেষণা-পত্ৰখন আছিল এনেদৰে এক যৌক্তিক বা বৰ্ণনাত্মক বিশ্লেষণ– কোনেনো কাক বিয়া কৰাব বা কাকনো বাধা দিব তাৰেই ইত্যাদি। পিছে তেওঁ অধিককৈ ভবা সমস্যাটো আছিল এনেধৰণৰ– লেভী-ষ্ট্ৰাছে উপলব্ধি কৰিছিল যে, এই সমস্যাটোৰ ভিতৰত কিবা এটা অধিক নিশ্চয়কৈ থাকিব লাগিবই, যিখিনি হয়তো তেওঁৰ বিশ্লেষণৰ পৰা বাদ পৰি গৈছে। ইতিমধ্যে তেওঁ জেকবছনৰ সংগ্ৰথনৰ ধাৰণাৰে চিনাকি হৈ উঠিছে। তেওঁ জানিছিল যে, তেওঁৰ এই নতুন বন্ধুজনে ফ’নল’জিৰ এৰাব নোৱৰা মূলখিনিক ভাষাবিজ্ঞানত চিহ্নিত কৰি লৈছে– যিখিনি হয়তোবা সকলো ভাষাৰে লুকাই ৰোৱা এক মৌলিক কথা। তেওঁ ভাবিছিল– নৃতত্ত্বতো তেনে এক সদৃশ বিশ্লেষণ কামত অহা বিধৰ হ’ব নেকি বাৰু?

সেই পাঠসমূহৰ বিষয়ে তেওঁৰ ভাৱনাখিনিক বৰ্ণনা কৰিবলৈ গৈ লেভী-ষ্ট্ৰাছে লিখিছে এনেদৰে যে– সাধাৰণ অৰ্থত নৃতত্ত্বত আৰু তেওঁৰ প্ৰকল্পৰ মাজত, বিশেষকৈ সম্পৰ্কীয়ৰ বোধৰ মাজত থকাখিনি শিকিব পাৰি ভাষাবিজ্ঞানৰ পৰা:

> ফন’ল’জি বা শব্দবিজ্ঞানৰ প্ৰখ্যাত নায়কতুল্য এন. ট্ৰুবেট্জকয়ে এই প্ৰশ্নটোৰ এটা উত্তৰেৰে আমাক সহায় কৰিছে। এটা লেখাত, শব্দবৈজ্ঞানিক প্ৰণালীক চাৰিটা মৌলিক স্তৰত তেওঁ ব্যাখ্যা কৰিছে। প্ৰথম স্থানত, শব্দবিজ্ঞান পাৰ হৈ যায়, সচেতন শব্দবৈজ্ঞানিক প্ৰপঞ্চৰ পৰা সিহঁতৰ অসচেতন কাঠামোলৈ বুলি। কোনোৱে হয়তো পদসমূহক চাবলৈ বুলি এক স্বাধীন ‘এণ্টিটি’ কৰি লয়। বিপৰীতে চোৱা হয় বা লোৱা হয় এই পদবোৰৰ মাজত স্থিতি থকা উপৰোক্ত সম্পৰ্কবোৰৰ বিশ্লেষণৰ এক ভেঁটি হিচাপেহে। তাৰেই এটাই এটা প্ৰণালী

বা পদ্ধতিৰ (system) ধাৰণাৰ চিনাকি কৰি দিয়ে। প্ৰকৃত শব্দবিজ্ঞানে সেয়ে অস্তিত্বটো ধৰি ৰয় গঠনেৰেহে, যিসমূহ এনেদৰেই প্ৰকাশ পায়। যৌক্তিকভাবে এইসমূহ গঠনক প্ৰকাশ কৰি এক পৰম-চৰিত্ৰৰে বা বৈশিষ্ট্যৰে দান কৰে।

কিন্তু সাংগ্ৰথনিক বিশ্লেষণৰ নীতিসমূহৰ প্ৰয়োগৰ আদিতম চেষ্টাখিনি লেভি-ষ্ট্ৰাছৰ কাৰণে অতি কঠিন বিবেচিত হৈছিল, যিখিনি নৃতত্বৰ ক্ষেত্ৰখনত ট্ৰুবেট্জকয় আৰু জেকবছনে ভাষাবিজ্ঞানত কৃতকাৰ্যতাৰে খটুৱাইছিল। তেওঁ বৰ্ণনা কৰা সমস্যাখিনি আছিল এনেধৰণৰ:

> যিহওক, শব্দবিজ্ঞান প্ৰণালীৰ ক্ষেত্ৰখনৰ প্ৰয়োগৰ ৰাস্তাত, অধ্যয়ন কৰিবলৈ বুলি এটা প্ৰাথমিক কঠিনতাই, আমাক এটা তাৎক্ষণিক আঘাত দিয়ে। শব্দবৈজ্ঞানিক প্ৰণালী আৰু সম্পৰ্কৰ প্ৰণালীৰ উপৰুৱা দৃষ্টিভংগীমূলক সাদৃশ্যই এক ভুল দিশলৈ আমাক লৈ যায়। ই সংশ্লেষণ কৰি লয়, সম্পৰ্কৰ পদসমূহ ভাষাৰ শব্দবিজ্ঞানৰ প্ৰণালীৰ মাজত, সেইবোৰৰ ৰীতিমত আচৰণৰ দৃষ্টিভংগীৰে। আমি জানো যে, সংগ্ৰথনৰ নিয়মত আহি পৰিবলৈ হ'লে, ভাষাবিদে বিশ্লেষণ কৰে, শব্দবিজ্ঞানক 'গুণভেদকৰণীয় মৌল' (differentaial elements) হিচাপে। এইবোৰক, কোনো এজনে সংগঠিত কৰি ল'ব পাৰে, 'যোৰ, যোৰ হৈ ৰোৱা বিপৰীত' হিচাপে। সেই একেই পদ্ধতিৰে সমাজবিজ্ঞানীয়ে তেতিয়া সম্পৰ্কৰ পদবোৰক ভঙাৰ চেষ্টা কৰিবলৈ বুলি অগ্ৰসৰ হয়, তেনে একোটা সদৃশ প্ৰণালীলৈ বুলি।

কিন্তু ভাষাৰ গঠনে নিজকে উন্মুক্ত কৰে, সেই ভাষাবিদসকললৈ বুলি, যিসকলে বিশ্লেষণখিনি কৰে। ই সেইবোৰতকৈ স্পষ্টকৈ ভিন্ন প্ৰকৃতিৰ হয়, যিবোৰক লেভি-ষ্ট্ৰাছে তেওঁৰ সম্পৰ্কৰ বিশ্লেষণৰ অধ্যয়নত মুখামুখি হৈছিল। অন্যভাষাত, ভাষাবিদে এক অগাণিতিক অনুসন্ধানৰ মাধ্যমত ভাষাৰ ক'ড ভাঙিবলৈ সক্ষম হৈছিল। মানৰ- কিনশ্বিপৰ লেভী-ষ্ট্ৰাছ প্ৰণালী আছিল বৰ বেছি জটিল। সাংগ্ৰথনিক ভাষাবিজ্ঞানৰ সদৃশ ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁৰ সঁচাকৈয়ে এটা সঠিক ধাৰণা আহিছিল। কিন্তু লক্ষ্যত উঠিবলৈ বুলি, তাৰ বাবে প্ৰয়োজনীয় সঁজুলিখিনি ভাষাবিজ্ঞানত ব্যৱহাৰ হোৱাখিনিতকৈ আৰু বেছি জটিল আছিল।

লেভী-ষ্ট্ৰাছে বুজি পাইছিল যে তেওঁ অধ্যয়ন কৰি ৰোৱা সমস্যাটোৰ এটা গভীৰ চৰিত্ৰৰ অন্তৰ্নিহিত গঠন আছে। আৰু তেওঁ বুজিছিল যে, তেওঁৰ সমস্যাটোক ধৰিবলৈ হ'লে ট্ৰুবেট্জকয় আৰু জেকবছনে ভাষাবিজ্ঞানৰ যিটো সাংগ্ৰথনিক অভিগমণৰ পথেৰে আহিছিল, তাকেই ল'ব লাগিব। কিন্তু তেওঁ সেইটো কৰিব পৰা নাছিল। তেওঁৰ সমস্যাটোৰ এক বেছি গভীৰ গাণিতিক বিশ্লেষণৰ প্ৰয়োজন আছিল। কাৰণ কেতিয়াবা সমস্যা এটাৰ মাজত সোমাই ৰোৱা ক'ডখিনি যথেষ্ট সৰল– গণিতৰ সহায় নোলোৱাকৈয়ে কৰিব পৰা আৰু আন সময়ত আকৌ, ক'ডসমূহ ইমানেই জটিল যে, এইসমূহক খুলিবলৈ বুলি প্ৰয়োজন হৈ পৰে এজন গণিতজ্ঞৰ।

লেভী-ষ্ট্ৰাছ পিছে সৌভাগ্যৱান আছিল, কাৰণ তেওঁ সোনকালেই বহবাকীৰ সৈতে প্ৰত্যক্ষ সংস্পৰ্শলৈ আহিছিল। নিউয়ৰ্কত তেওঁ বহবাকীৰ সহ-প্ৰতিষ্ঠাপকক লগ পাইছিল: অন্দ্ৰে ভেইক। ভেইয়ে সংঘতত্ত্ব (গ্ৰুপ থিয়ৰী) ব্যৱহাৰ কৰিছিল– মানৰ-কিনশ্বিপৰ ফৰ্মেলি ক'ড ভঙা কামখিনি কৰিবলৈ বুলি। নৃতত্বৰ এই দৰকাৰী সমস্যাটোত তাৰ অন্তঃগঠনক প্ৰকাশ কৰিছিল– এটা নিৰ্দিষ্ট গাণিতিক গ্ৰুপৰ গঠন হিচাপে। এটা সময়ত সমাধানটো আহি পৰিছিল। লেভী-ষ্ট্ৰাছে অন্দ্ৰে ভেইৰ

সহায়ত কিনশ্বিপৰ সমস্যাটো সমাধা কৰিছিল। ইয়াৰ ফলাফলখিনি বাহিৰ হৈছিল লেভী-ষ্ট্ৰাছৰ দ্বাৰা এখন কিতাপৰ মাধ্যমত লগতে ভেইৰ এক গাণিতিক পৰিশিষ্টৰ সংযোগেৰে। আৰু ইয়াকেই বহল পৰিসৰত চোৱা হয়, 'অ্যাক্ট অফ্ ক্ৰিয়েছন অফ্ ষ্ট্ৰাকচাৰেলিজিম', অৰ্থাৎ 'সংগ্ৰথনবাদ-সৃষ্টিৰ কৃতি-কৰ্ম'।

~ ০ ~

কিনশ্বিপ প্ৰণালীৰ তেওঁৰ কৃতিকৰ্মখিনিত লেভী-ষ্ট্ৰাছে বিচাৰি আছিল তেওঁৰ পৰ্যবেক্ষণৰ মাজত সোমাই থকা অন্তঃগঠনখিনিক। এই ক্ষেত্ৰখনৰ প্ৰথম ধাৰণাখিনি তেওঁ নিউয়ৰ্কলৈ অহাৰ আগেয়ে, তেওঁ জেকবছনক আৰু পাছলৈ ভেইক লগ ধৰাৰ সময়তেই ভুমুকি মাৰিছিল। নৃতত্বত অন্তঃগাঁথনি সম্পৰ্কীয় লেভী-ষ্ট্ৰাছৰ প্ৰথম ধাৰণাখিনি মনলৈ আহিছিল, যেতিয়া তেওঁ ব্ৰাজিলত থাকিবলৈ লয়। সংগ্ৰথনৰ এইসমূহ ধাৰণাই ঠাই পাইছিল– অতি জোৰতৰভাবে– যেতিয়া তেওঁ অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিছিল অষ্ট্ৰেলীয় মূলৰ আদিবাসীৰ তথ্যবোৰ। ইয়াত সেইবোৰ তথ্যৰ মাজত তেওঁ দেখিবলৈ পাইছিল দুয়োটা সাদৃশ্যকেই– যিসমূহ তেওঁ গোটাইছিল ব্ৰাজিলত আৰু ব্ৰাজিলীয় তথ্যৰ বিৰোধত থকা ফলাফলবোৰৰ মাজত। তথ্যৰ তুলনাখিনি আছিল আদিমূলৰ সমাজৰ বিষয়ত। যিসমূহ হাজাৰ মাইলৰ ব্যৱধানেৰে আঁতৰ হৈ থকাবোৰে লেভী-ষ্ট্ৰাছক বিচাৰি চাবলৈ উদগাইছিল– সেই বিশেষ স্থায়ী বস্তুবোৰক, যিবোৰে এইবোৰ ভিন্ন বিশিষ্ট সমাজক তলত পাতি থয়। বিশেষ বিষয়টো আছিল অগম্যাগমনৰ (incest) ক্ষেত্ৰখন। তেওঁ আৰু আন নৃতত্ববিদসকলে অধ্যয়ন কৰাখিনিৰ মাজত বিশেষকৈ বাধা আছিল অগম্যাগমনৰ। লেভী-ষ্ট্ৰাছে বিচাৰি আছিল অগম্যাগমন ঘটি থকাখিনিৰ আঁৰৰ গঠনটোৰ– যিসকলৰ ধৰণ-কৰণখিনিক বাধা আৰোপ কৰা হৈছিল। লেভী-ষ্ট্ৰাছৰ বাবে অগম্যাগমনৰ বাধাৰ সাৰ্বজনীনতা হৈ পৰিছিল অধ্যয়নৰ এক বিষয়। তেওঁ বিচাৰি আছিল সকলো সমাজতে সোমাই থকা, লুকাই থকা কিনশ্বিপৰ গঠনক। আৰু তেওঁ সাংগ্ৰঠনিক অভিগমন ব্যৱহাৰ কৰিবলৈ বুলি আৰম্ভ কৰিছিল। অগম্যাগমনৰ বিৰোধী, ঋণাত্মক ফালটো এৰি লেভী-ষ্ট্ৰাছে আৰম্ভ কৰিছিল ইয়াক ধনাত্মক দিশেৰে চাবলৈ। অগম্যাগমনৰ বাধাই এক ধনাত্মক অংশ খোলা দেখা গৈছিল। ইয়াত এইবোৰৰ জৈৱিক কৰ্মকাণ্ডখিনিৰ বাদেও (জন্মদান-বাধাৰ উপৰি), এখন সমাজৰ সদস্যসকলৰ বাবে ই সম্ভৱ কৰি তুলিছিল সন্ধি বা মিটমাট কৰিবলৈ বুলি।

এই সমস্যাটোক এই ঋণফালটো এৰি ধনাত্মক ফালটোৰে চাই বা লৈ লেভী-ষ্ট্ৰাছক বলেৰে তেওঁৰ সংগ্ৰথনিকলৈ লৈ আহিছিল। তেওঁৰ যুক্তি-প্ৰণালীক ব্যৱহাৰ কৰি, প্ৰদৰ্শন কৰিবলৈ তেওঁ সক্ষম হৈছিল যে চলাই থকা কিছুমান নিয়মৰ থূপে নিৰ্ণয় কৰিব এখন নেটিভ সমাজত কোনে কাক বিয়া কৰাব। ই অনুমতি দিব, সমাজখনৰ সভ্যসকলক গঠন কৰিবলৈ বুলি, দৰকাৰী আৰু কামত অহা সন্ধিয়ে। যিয়ে নিৰ্ণয় কৰিব– এখন নেটিভ সমাজত কোনে কাক বিয়া কৰাব, সেয়া অনুমতি দিব, সমাজখনৰ সভ্যসকলক গঠন কৰিবলৈ বুলি, দৰকাৰী আৰু কামত অহা সন্ধি। এই বিশ্লেষণখিনিয়ে তেওঁলৈ আনিছিল এক বোধৰ আৰম্ভণি আৰু ই নিৰ্দেশনা দিছিল কেনেকৈনো নেটিভ সমাজত কিনশ্বিপে কাম কৰে।

প্ৰধানতঃ ভাষাবিজ্ঞানৰ পৰা আৰু সেই ক্ষেত্ৰত কামখিনি ট্ৰুবেট্জকয় আৰু জেকবচনৰ দ্বাৰা আমদানিকৃত গঠন সম্পৰ্কীয় ধাৰণাবোৰে লেভী-ষ্ট্ৰাছক যোগাইছিল এক 'আগতীয়া-সীমিত কৃতকাৰ্যতা'। নৃতত্বক ই সলাই দিছিল, এক আধুনিক শৃংখলালৈ বুলি। সেয়া ঘটিছিল, এক ভৌতিক-জৈৱিক সমাজ-বিজ্ঞানৰ পৰা এক গভীৰ অন্তৰ্নিহিত বৈজ্ঞানিক ভেঁটি এটা নোহোৱাকৈ। ইয়াৰ ভিতৰত ভিন্ন সমাজৰ বিষয়ে তথ্যখিনি আৰু এইসকলৰ কিনশ্বিপ-প্ৰণালীক এক পদ্ধতিগতভাবে বিশ্লেষণ কৰিব পাৰিছিল। আৰু ইয়ে প্ৰকাশ কৰিব পাৰিছিল– প্ৰণালীটোৰ অন্তঃগাঁথনিক।

কিন্তু তেতিয়াও তেওঁ ক'ড ভঙা নাছিল। সাংগ্ৰথনিক

ভাৱনাই কাম কৰি আছিল নীতিগতভাৱে। কিন্তু মূৰ্ত ফলাফলে তেওঁক ভ্ৰমত পেলাইছিল বা ঠগাইছিল। কাৰণ তেওঁৰ প্ৰয়োজন আছিল এজন গণিতজ্ঞৰ সহায়। সবিশেষ গাণিতিক বিশ্লেষণ অবিহনে কিনশ্বিপৰ মাজত লুকাই থকাখিনি প্ৰকাশিত হ'বলৈ বুলি আছিল অতি জটিল।

ফলত, এবাৰ যেতিয়া কিনশ্বিপ প্ৰণালী ভাঙি পৰিছিল, নতুন সাংগ্ৰথনিক অভিগমনে এখন সমাজৰ বিষয়ে স্পষ্ট অভিপ্ৰায়সমূহক প্ৰকাশ কৰিছিল। এইসমূহ অধ্যয়নৰ ভিতৰত, প্ৰকাশ কৰিছিল লীন হৈ ৰোৱা নিয়মবোৰক, যিয়ে মানৱ আচৰণক চলায় বা শাসন কৰে।

~ ০ ~

১৯৪৩ অত লেভী-ষ্ট্ৰাছে নিউয়ৰ্কত অন্দ্ৰে ভেইক লগ ধৰিছিল। তেওঁলোকে পৰস্পৰৰ ধাৰণাসমূহ বিনিময় কৰিছিল। আৰু ইয়েই লৈ গৈছিল নৃতত্বত সূচনা হোৱা বহবাকীৰ ধাৰণালৈ। নৃতত্বত গাণিতিক নীতিৰ ব্যৱহাৰৰ প্ৰথম দৰকাৰী উদাহৰণটো আছিল লেভী-ষ্ট্ৰাছে অধ্যয়ন কৰি থকা অষ্ট্ৰেলীয় আদিমবাসীৰ ভিন্ন বৈবাহিক নীতিৰ সমস্যাৰ সমাধানটো। অন্দ্ৰে ভেইয়ে এই সমস্যাটো সমাধা কৰিছিল সম্পূৰ্ণ বিমূৰ্ত বীজগণিতীয় প্ৰণালীৰে। অন্দ্ৰে ভেই তেওঁৰ এই গাণিতিক সমাধানৰ বিষয়টোত বৰ গৌৰৱান্বিত আছিল, সেই সংক্ৰান্তত, ই যি ধৰণে শুদ্ধ গণিত আৰু প্ৰায়োগিক গণিতক লগ লগাইছিল। তেওঁৰ কাৰণে গৌৰৱৰ কথা হৈ পৰা বিষয়টোৰ এই সহযোগিতাৰ কথা মৃত্যুৰ সময়লৈকে তেওঁ আনক ক'বলৈ লৈছিল। বিশেষকৈ ভিন ভিন ক্ষেত্ৰৰ এনে অভ্যাস কৰি থকা সকলক। লেভী-ষ্ট্ৰাছৰ লগত বৃহৎ পৰিমাণৰ তথ্য মজুত আছিল। কিন্তু ফল দিবলৈ বুলি আশা কৰা নিয়মৰ মাজত তেওঁৰ প্ৰাথমিক বিশ্লেষণখিনি সম্পূৰ্ণকৈ অকৃতকাৰ্য হৈছিল, তথ্যবোৰৰ পৰা কাঢ়ি ল'বলৈ বুলি তেওঁ যেনেদৰে চেষ্টা কৰিছিল, দেখা গৈছিল যে তেওঁ চেষ্টা কৰা আটাইখিনিয়েই অকৃতকাৰ্য হৈছিল। আৰু সেয়ে, তেওঁ সেই গত্যন্তৰ নথকা মন্তব্যলৈ আহি পৰিছিল যে– অকল এজন গণিতজ্ঞইহে এই ৰহস্যৰ সমাধান দিব পাৰিব। এনেদৰেই তেওঁ গৈছিল প্ৰখ্যাত ফৰাছী গণিতজ্ঞ আৰু লৰেণ্ট চ্ছৱাৰ্ট্জৰ খুৰাক– জেক হেডেমাৰ্ডক দেখা কৰিবলৈ। সেইখিনি সময়ত তেৱোঁ আছিল নিউয়ৰ্কত। হিটলাৰৰ পৰা পলোৱা ইউৰোপীয় বুদ্ধিজীৱীৰ এটা দলে গঠন কৰিছিল অনুপ্ৰৱেশীয় সমাজ এখন– কোৱা হৈছিল 'পেৰিছ অন দ্য হুডছন'। তেতিয়া মানে হেডেমাৰ্ড বেছ বয়সীয়াল হৈছে– তেওঁ লেভী-ষ্ট্ৰাছক সহায় কৰা নাছিল। তেওঁ লেভী-ষ্ট্ৰাছক কৈছিল– "গণিতৰ চাৰিটা প্ৰক্ৰিয়া আছে, আৰু 'বিবাহ' তাৰে এটা নহয়।" (Mathematics has four operations, and marriage is not one of them.)

গতিকে লেভী-ষ্ট্ৰাছে আন্দ্ৰে ভেইক দেখা কৰিবলৈ গৈছিল। সেই সময়ত তেওঁ নিউয়ৰ্কত আছিল। ভেইৰ প্ৰতিক্ৰিয়া পিছে সম্পূৰ্ণ পৃথক আছিল। ভেই আছিল এগৰাকী ওখখাপৰ বীজগণিতবিদ। তেওঁৰ কাম আছিল সদায়েই শুদ্ধ গণিত ক্ষেত্ৰত। সেয়ে তেওঁ লেভী-ষ্ট্ৰাছৰ সমস্যাটোক তৎক্ষণাতেই গম পাইছিল যে ইয়াক গ্ৰুপৰ বিমূৰ্ত সজ্জাৰ সহায়ত সমাধা কৰিব পৰা যাব– এক বাস্তৱ শব্দজড়িত সমস্যা হিচাপে লৈ। প্ৰকৃততে, ভেই খ্যাত আছিল এটা কাৰণতেই যে, যেতিয়াই কোনো এজন গাণিতিক সমস্যাত ৰৈ যাবলগীয়া হয়, 'কোনো গ্ৰুপৰ সন্ধানত!' তেওঁ সেই সমস্যাটোত অলপ সময় খাটি ৰয় আৰু সমাধা কৰে। বাস্তৱ জগতৰ সমস্যাটো যি জটিল পৰিস্থিতিৰেই হওক, বিমূৰ্ত বীজগণিতীয় কৌশলেৰে অতি চমৎকাৰীত্বৰে ইয়াক সমাধা কৰিব পৰা হয়। ভেইয়ে লেভী-ষ্ট্ৰাছক কৈছিল যে, তেওঁ সমস্যাটো সমাধা কৰোঁতে ইয়াৰ প্ৰকৃত মৌলসমূহ বাদ দি থৈছিল: অৰ্থাৎ বিবাহৰ প্ৰকৃতিখিনিক। তাৰ ঠাইত মন দিছিল বিবাহসমূহৰ 'সম্পৰ্ক'টোত। এই ধাৰণাটোৱেই বহবাকীৰ প্ৰধান ধাৰণাটোক প্ৰতিফলিত কৰে: 'সম্পৰ্ক' আৰু 'গঠন'বোৰেই গণিতৰ মূল মৌলবোৰ।

বহবাকীৰ সহ প্ৰতিষ্ঠাপকজনৰ দ্বাৰা পোৱা তেওঁৰ

এই সমস্যাটোৰ সমাধানটোৱে লেভী-ষ্ট্ৰাছক অধিক আকৰ্ষিত কৰিছিল– গঠন আৰু সংগ্ৰথনবাদৰ প্ৰতি। এই ভেঁটা-ভেঁটিখিনিয়ে আৰু লগতে জেকবছনৰে তেওঁৰ পৰস্পৰ কাৰ্যই তেওঁক মনোযোগ দিবলৈ বুলি লৈ গৈছিল– নৃতত্বত সংগ্ৰথনবাদৰ তেওঁৰ সকলো শক্তিৰ প্ৰসাৰ ঘটোৱাত। ফলত এই কামে সংগ্ৰথনবাদক মৰ্যাদাৰ স্থানলৈ লৈ আহিছিল।

লেভী-ষ্ট্ৰাছে অধ্যয়ন কৰা অষ্ট্ৰেলীয় গোষ্ঠীৰ বিবাহৰ নিয়মৰ তথ্যই ইংগিত দিছিল যে– ধৰা হ'ল, তাত চাৰিটা জনগোষ্ঠীয় দল আছে। সৰল কৰিবলৈ বুলি তেওঁ সেইকেইটাক $A, B, C$, আৰু $D$ ৰে সূচাইছিল। এই আদিবাসীসকলৰ মাজত বৰ্তি ৰোৱা নিয়মটোৱে কৈছিল যে, $A$ দলৰ পুৰুষ এজনে $B$ দলৰ নাৰী এগৰাকীক বিয়া কৰাব পাৰে। তেনেদৰে, $B$ দলৰ পুৰুষ এজনে $C$ দলৰ নাৰী এগৰাকীক বিয়া কৰাব পাৰে। তেনেদৰে, $C$ দলৰ পুৰুষ এজনে $D$ দলৰ নাৰী এগৰাকীক বিয়া কৰাব পাৰে। আৰু $D$ দলৰ পুৰুষ এজনে $A$ দলৰ নাৰী এগৰাকীক বিয়া কৰাব পাৰে। ছবিৰে বুজাবলৈ গ'লে তলত দেখুৱা ধৰণৰ হৈ পৰে:

$$A \to B \to C \to D \to A.$$

প্ৰশ্নটো আছিল– দীৰ্ঘদিনৰ মূৰত কি ঘটিছিল এই জনসংখ্যাৰ ক্ষেত্ৰত! এই নিয়মসমূহেনো কি কয় গোষ্ঠীৰ ভিতৰত ঘটা এনে দীৰ্ঘদিনীয়া কিনশ্বিপৰ বিকাশৰ ঘটনা সংক্ৰান্তত। এই সমাজৰ সদস্যসকলৰ মাজৰ জটিল সম্পৰ্কৰ ক্ষেত্ৰত লুকাই থকা আন্তঃগাঁথনিটোনো কি। এই সন্দৰ্ভত সমাধানৰ বাবে গণিতক আহ্বান কৰা কাৰণটো এইটোৱেই। ভেইয়ে কৰাখিনি আছিল সমাজৰ ভিতৰতে বিবাহৰ সম্ভাৱনাটোৰ সংজ্ঞা দিয়াখিনি। তেওঁ বুজা মতে এই আদিমবাসীৰ ভিতৰত বিবাহৰ চাৰি ধৰণৰ সম্ভাৱনা আছে। ভেইয়ে সংজ্ঞাৱদ্ধ কৰা এনে বিবাহৰ ধৰণকেইটা তলত দিয়া ধৰণৰ:

$$M1 = [A \text{ ৰ পুৰুষ}, B \text{ ৰ নাৰী}],$$
$$M2 = [B \text{ ৰ পুৰুষ}, C \text{ ৰ নাৰী}],$$
$$M3 = [C \text{ ৰ পুৰুষ}, D \text{ ৰ নাৰী}],$$
$$M4 = [D \text{ ৰ পুৰুষ}, A \text{ ৰ নাৰী}].$$

ইয়াৰ পাছত ভেইয়ে চাইছিল এই বিবাহৰ নৱপ্ৰজন্মৰ সংজ্ঞানো কি হ'ব পাৰে আৰু লগতে তেওঁলোকৰ সম্ভাব্য বিবাহৰো।

তেওঁ বিশ্লেষণ কৰি গৈ এটা গাণিতিক গ্ৰুপক চিনাক্ত কৰি লৈছিল, যিয়ে এই বিশেষ প্ৰণালীটোক চলাই নিছিল। গণিতে এই সমস্যাটোক সমাধা কৰিবলৈ অনুমতি দিছিল। তেতিয়া তেওঁ ফলাফলখিনিক পৰিশিষ্ট কৰি লিখিছিল লেভী-ষ্ট্ৰাছৰ কিতাপ 'এলিমেণ্টেৰী ষ্ট্ৰাকচাৰ অৱ কিনশ্বিপ'ৰ প্ৰথম খণ্ডত (দ্য হেগ, মাউটন, ১৯৪৭)।

পৰিশিষ্টত ভেইয়ে লিখিছিল, তেওঁৰ বৰ্ণনাৰে– লেভি-ষ্ট্ৰাছে অধ্যয়ন কৰি থকা অষ্ট্ৰেলীয় আদিম গোষ্ঠীত অনুমোদিত বিবাহৰ ধৰণৰ ওপৰত:

> আমি সংযোগ কৰিছিলোঁ যে– $A, B, C, D$ গোষ্ঠীৰ মাক এগৰাকীৰ ল'ৰা-ছোৱালীবোৰক সংজ্ঞাৱদ্ধ কৰা হ'ব ক্ৰমে $B, C, D, A$ গোষ্ঠীৰ সভ্য বুলি। আৰু ইয়ে আমাক তলৰ তালিকাখনলৈ লৈ যাব:

পিতৃ-মাতৃৰ বিবাহ ধৰণ: $M1, M2, M3, M4$
ল'ৰা সন্তানৰ বিবাহ ধৰণ: $M3, M4, M1, M2$
কন্যা সন্তানৰ বিবাহ ধৰণ: $M2, M3, M4, M1.$

ভেইয়ে আঙুলিয়াইছিল যে ইয়াত আমি যি পাইছোঁ সেয়া পিতৃ-মাতৃৰ বিবাহৰ ধৰণৰ বিন্যাস বা পাৰ্মুটেছন। বিন্যাসনো কি? তেওঁ ব্যাখ্যা কৰিছিল– সেয়া প্ৰথম

শাৰীত, দ্বিতীয় আৰু তৃতীয় শাৰীৰ বিবাহৰ ধৰণৰ এক ক্ৰমৰ এক সৰল পুনৰ্সজ্জাকৰণ।

বিন্যাসৰ অধ্যয়ন হয় বিমূৰ্ত বীজগণিতৰ গ্ৰুপ তত্ত্বৰে। আমি আগতেই পাই আহিছোঁ যে বিন্যাস-গ্ৰুপ হৈছে গাণিতিক গ্ৰুপ এটাৰ সাধাৰণ উদাহৰণ। পুনৰ মনত পেলাই লৈছোঁ– তিনিটা মৌলৰ বিন্যাস গ্ৰুপ এটা গঠিত হয় এইকেইটা মৌলৰে: $ABC$, $ACB$, $BAC$, $BCA$, $CAB$, আৰু $CBA$. ইয়াতেই বিবাহ ধৰণৰ বিশ্লেষণৰ বাবে ভেইয়ে গ্ৰুপ তত্ত্বৰ শক্তিশালী গণিতীয় ফল খটুৱালে, বিশেষকৈ বিন্যাস গ্ৰুপৰ অধ্যয়নৰ। তেওঁ আঙুলিয়াইছে যে গ্ৰুপ তত্ত্বৰ ৰিজাল্টে আমাক অনুমতি প্ৰদান কৰে সিদ্ধান্ত ল'বলৈ বুলি, এনে এটা জনগাঁথনিৰ বাবে। বিশেষকৈ বিশ্লেষণ কৰিবলগীয়া গ্ৰুপৰ ধৰণটো আৰু বিভাজনক্ষম (ৰিডিউচিব্‌ল) বা বিভাজন অক্ষম বিধৰ (ইৰিডিউচিব্‌ল) হ'ব পাৰে। নৃতত্ত্ববিদ এজনলৈ এটা বিভাজনক্ষম বিবাহৰ ধৰণে এনে এক ইংগিত দিব যে, অধ্যয়ন কৰি থকা জনগাঁথনিটোৱে লগ লগাইছে দুটা স্পষ্ট জনগাঁথনিক যি কেতিয়াও অন্তঃবিবাহত নাহিব বা বোধহয় মাথোন চিধা দখল কৰি থাকিব একে অঞ্চলক। যদি বিন্যাসটোত সোমাই থকা গ্ৰুপটো বিভাজন অক্ষম বিধৰ হয়, তেনেহ'লে ই বুজায় যে জনগাঁথনিটো এক হৈ আছে, আৰু স্বাভৱিকতে বিভাজিত কৰিব নোৱাৰি, দুটা বা অধিক উপ-জনগাঁথনিত যিয়ে অন্তঃবিবাহ কৰিব নোৱাৰিব। (ওপৰত ঘটি থকাৰ বিপৰীতে।)

লেভী-ষ্ট্ৰ্যাছে অধ্যয়ন কৰি থকা জনগাঁথনিবোৰৰ প্ৰতিটোৱে একোটা নিজা গণিতীয় গ্ৰুপ গঠন আছিল। এবাৰ সেই গঠন বিশ্লেষণ কৰি ল'লে, সম্ভৱ হৈছিল নিৰ্ণয় কৰিবলৈ বুলি, জনগাঁথনিবোৰৰ অনা-উমৈহতীয়া অংশ (non interacting segments) আছেনে নাই। বা আনহাতে এইসমূহ একেৰূপী (য়ুনিফৰ্ম)। এই নিৰ্ণয়তাখিনি আহিছিল মাথোন গণিতীয় বিশ্লেষণৰ মাধ্যমতহে! কোনোবাই বছৰ জুৰি জনগোষ্ঠীক অধ্যয়ন কৰি থাকিব পাৰে আৰু অথচ কোনো কামত অহা বৈশিষ্ট্য উলিয়াবলৈ সক্ষম হোৱা নাই, সেয়া এই কাৰণতেই যে গ্ৰুপ তত্ত্বক লৈ তেওঁ সাংগ্ৰথনিক গণিতীয় বিশ্লেষণ ব্যৱহাৰ কৰা নাই। কাৰণ ভেইয়ে তাকেই আৱিষ্কাৰ কৰিছিল, যিটো আছিল এটা উপপাদ্যৰ সমতুল্য। সেয়া আছিল তেনে এটা যিটো এটা জনগাঁথনি সাপেক্ষে সঁচা হ'ব লাগিছিল। কাৰণ ইয়াত নিহিত হৈ থকা গঠনটোৱেই একমাত্ৰ, আৰু ইয়াত বাদে আন একো নহয়। অকল কোনোধৰণৰ আন্তঃক্ৰিয়া নোহোৱাকৈ ইয়াৰ চাব-গ্ৰুপৰ মাজত, সেইখিনিয়ে কোনো সম্ভেদ নিদিব। কাৰণ কোনো এজনে কেতিয়াও একো নাজানিব, যে কোনো কিবা সম্পৰ্ক এই চাব-গ্ৰুপৰ মাজত সম্ভৱ হয় নে নহয়। (যদিহে কোনো যৌক্তিক বিশ্লেষণ কৰা হয়।) বা কিজানিবা ই সম্ভৱেই নহয়। (এনে ক্ষেত্ৰত ভৱিষ্যতত ই আহি যাব পাৰে হয়তোবা।) অকল গণিতেহে ইয়াৰ সুনিৰ্দিষ্ট উত্তৰ দিব পাৰে।

ভেইৰ বিশ্লেষণ আছিল গঠন সম্পৰ্কীয়, তথা সাংগ্ৰথনিক। আৰু এইখিনি আছিল বহবাকীৰ উদ্যমত আৰু ইয়াৰ লক্ষ্যৰ সৈতে জড়িত হৈ। ভেই সক্ষম হৈছিল সম্পূৰ্ণ বিমূৰ্ত গণিতৰ সহায়েৰে আৱিষ্কাৰ কৰিবলৈ– অধ্যয়ন কৰি থকা জনগাঁথনিটোৰ জনগাঁথনি বিষয়ক এক নিহিত হৈ থকা বা লুকাই ৰোৱা সত্যক। এক দুৰ্বল, অগাণিতিক সাংগ্ৰথনিক প্ৰণালীৰে এই সত্যখিনি উলিয়াব পৰা নগ'লহেঁতেন, যিখিনি হয়তো ভাষাবিজ্ঞানীসকলে ব্যৱহাৰ কৰি থাকে। গণিতৰ সাংগ্ৰথনিক প্ৰণালী এনেদৰে অতি চমৎকাৰীত্বৰে প্ৰদৰ্শন কৰা হৈছিল। লেভী-ষ্ট্ৰ্যাছ গভীৰভাৱে প্ৰভাৱিত হৈছিল– কৃতজ্ঞ হৈছিল। আৰু তেতিয়াৰে পৰা সাংগ্ৰথনিক প্ৰণালীৰ ব্যৱহাৰত নৃতত্ত্ব আৰু লগতে আন আন ক্ষেত্ৰবোৰত তেওঁৰ সকলো প্ৰচেষ্টা বিয়পাই দিবলৈ বুলি উৎসৰ্গা কৰিছিল। লেভী-ষ্ট্ৰ্যাছে ভেইৰ ধাৰণা লৈছিল আৰু সেইবোৰৰ পৰা শিকিছিল। কিনশ্বিপৰ সম্পৰ্কত তেওঁৰ সমগ্ৰ কিতাপখন আছিল নৃতত্ত্ব আৰু সংগ্ৰথনবাদৰ এখন ক্লাচিক তুল্য, এখন একক সম। ইয়াতেই ভৰোৱা হৈছিল নৃতত্ত্বৰ

বাবে সাংগ্ৰথনিক ধাৰণাক। বহবাকীৰ সেই নতুন গণিতখিনিক। সময়ত ফৰাছী সংগ্ৰথনবাদৰ বিষয়ত, লেভী-ষ্ট্ৰাছৰ সেই কিতাপখন হৈ পৰিছিল তেওঁৰ জীৱনৰ প্ৰধান কাৰ্য। ইয়াত তেওঁ কিনশ্বিপ আৰু বিবাহৰ পদ্ধতিটোক ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। যি হয়তোবা আহি পৰিছিল বা দেখা দিছিল পৃথিৱী জুৰি সমাজবোৰৰ ক্ষেত্ৰত, অসংখ্য ভিন্নতাৰে। সেয়া ঘটিছিল মাথোন একেটা নীতিৰে: সালসলনিৰ নীতি (দ্য প্ৰিন্সিপল অৱ এক্সচেঞ্জ)। সেয়ে তেনে বিবাহসমূহ একো সমস্যা হৈ পৰা নাছিল। সমস্যাটো আছিল বিভিন্ন ধৰণৰ বিবাহৰ মাজৰ 'সম্পৰ্কবোৰ'হে। যিখিনি ভেইয়ে দেখুৱাইছিল তেওঁৰ বিমূৰ্ত গ্ৰুপ তত্ত্বৰ ৰিজাল্ট ব্যৱহাৰ কৰি। এই ধাৰণাখিনিয়েই আছিল প্ৰকৃততে, সংগ্ৰথনবাদৰ সাৰখিনি। সংগ্ৰথনবাদে আমাক শিকায় যে, অধ্যয়নৰ 'বিষয়-মৌল'সমূহ দৰকাৰী নহয়, যি দৰকাৰী বিবেচিত হয়, সেয়া হৈছে মৌলসমূহৰ ভিতৰত ৰৈ থকা 'সম্পৰ্কখিনি'হে। উদাহৰণটোত ভেইয়ে বিশ্লেষণ কৰা সংগত বা প্ৰকৃত চলকটো আছিল পিতৃ-মাতৃৰ বিবাহেনো কেনেদৰে তেওঁলোকৰ সতি-সন্তানৰ বিবাহত প্ৰভাৱ পেলাই ৰৈছে।

লেভী-ষ্ট্ৰাছে অধ্যয়ন কৰা অদল-বদলখিনি লোৱা হৈছে, মানৱ মনৰ ভিতৰৰ মৌলিক সাংগ্ৰথনিক স্থিৰতাৰ (fundamental structural constants) এক আৱিৰ্ভাৱ হিচাপে। আৰু এনেবোৰ সাংগ্ৰথনিক স্থিৰ মান পোৱা যাব পাৰে মানৱ সংস্কৃতিৰ আন প্ৰণালীতো। তেনে এক আৱিৰ্ভাৱৰ উদাহৰণ হৈছে, ভাষাৰ ভিতৰত সোমাই থকা গঠন। এয়া সেই কাৰণতেই যে নৃতত্বত সংগ্ৰথনৰ প্ৰভাৱ মূলতঃ আহে ভাষাবিজ্ঞানৰ কৰ্ম-কাণ্ডৰ পৰা। সেই একে সাংগ্ৰথনিক ধাৰণাসমূহ আৱিৰ্ভাৱ হয়, নিজে নিজেই মনোবিজ্ঞান আৰু আন আন ক্ষেত্ৰত।

~ ০ ~

কুৰি শতিকাৰ সময়খিনিত বিভিন্ন বৰণীয়া ক্ষেত্ৰ আৰু শৃংখলাৰ মাজত, প্ৰণালী আৰু সংগ্ৰথনৰ ক্ৰমবৰ্ধমান সফলতাই এক অভূতপূৰ্ব উপকাৰীতা আনি দিছিল। লক্ষ্যণীয়ভাৱে সংগ্ৰথনবাদে দেখুৱায় একোটা শৃংখলাক গঠন কৰি থোৱা মৌলসমূহৰ আন্তঃনিৰ্ভৰশীলতাক ব্যাখ্যা কৰিবলৈ এক মহান সক্ষমতা বা ধাৰকত্ব। এই পৰম্পৰাটো ভাষাবিজ্ঞান, নৃতত্ব, সমাজবিজ্ঞান, জীৱবিজ্ঞান আৰু অৰ্থনীতিত স্বাভাৱিক ধাৰণা হয়।

সংগ্ৰথনবাদে কৃতকাৰ্যতাৰে বদলি কৰিছিল বিজ্ঞানৰ পূৰ্বৰ দৰ্শনক: পৰীক্ষালব্ধীয় প্ৰণালী (এম্পিৰিচিজিম)। সংগ্ৰথনবাদৰ ধাৰণাটো সেই পৰীক্ষালব্ধ তথ্য বা বতৰা (তথ্যৰ বৰ্ণনাত্মক বিশ্লেষণ) যথেষ্ট নহয়। ই তথ্যৰ মাজত অন্তৰ্নিহিত হৈ ৰোৱা প্ৰপঞ্চক ব্যাখ্যা নকৰে। সংগ্ৰথনবাদে বিচাৰি থাকে তথ্যত বৰ্ণনাৰে দেখাকৈ ফুটি উঠাখিনিৰ বিপৰীতে তথ্যৰ মাজত লুকাই ৰোৱা গঠনক।

নৃতত্ব হৈ পৰিছিল সেই বিন্দুটোলৈ প্ৰকৃতি বিজ্ঞানৰ অংশ, য'ত লেভী-ষ্ট্ৰাছে তেওঁৰ জোৰদাৰ আৱিষ্কাৰ কৰিছিল– মানৱ কিনশ্বিপ প্ৰণালীৰ। তেতিয়া পৰ্যন্ত নৃতত্ব-বিজ্ঞানীসকলে অকল তথ্য সংগ্ৰহ কৰিছিল, আৰু তেওঁলোকৰ পৰ্যবেক্ষণক অধ্যয়ন কৰিছিল। কিন্তু লেভী-ষ্ট্ৰাছৰ প্ৰতিভা আছিল এনে যে, এক গভীৰ অভিগমনে লৈ যাব পাৰিছিল আমোদজনকভাৱে শক্তিশালী ৰিজাল্টলৈ বুলি।

১৯৪৪ অত মিত্ৰশক্তিয়ে দেশ মুকলি কৰি লোৱাৰ পাছত ফ্ৰান্সত অস্তিত্ববাদ বিয়পি পৰিছিল। ই সূচাইছিল বা ইংগিত বহন কৰিছিল এক বৌদ্ধিক প্ৰভাতৰ। অস্তিত্ববাদে বিশ্বাস কৰিছিল এক দৰ্শনত যাক কোৱা হয়, 'সকাম' বা 'এনগেজমেণ্ট'। ইয়ে তেওঁলোকক থাপিছিল– আঁতৰত, সেই যন্ত্ৰণাৰ বছৰবোৰেৰে, আৰু লগতে বোমা আদিকে ধৰি প্ৰধান হিচাপে থকা ইয়াৰ বলৱান 'বেয়াবোৰ'ত। সকলোধৰণৰ বিজ্ঞানৰ ওপৰত, অস্তিত্ববাদে অনুমতি প্ৰদান কৰিছিল অকল মনোবিজ্ঞানকহে, আৰু বিশেষকৈ তেওঁলোকে গণিতক ঘিণ কৰিছিল বা বেয়া পাইছিল। অস্তিত্ববাদে এই কালছোৱাত যদিওবা ফৰাছী বৌদ্ধিক বিতৰ্কক প্ৰভাৱিত

কৰি থৈছিল, আন বৌদ্ধিক দিশসমূহৰ বিকাশ সাধন হৈ আছিল। নতুন ধাৰণাৰ এই প্ৰসংগতেই ক্লড লেভী-ষ্ট্ৰাছৰ কিতাপে প্ৰথম চেষ্টা কৰিছিল: এই মিনাৰতুল্য বৌদ্ধিক উৎকৃষ্টকৰ্মখিনি আছিল সংগ্ৰথনবাদৰ 'ভেঁটি স্বৰূপ কৰ্ম' – ফ্ৰান্স আৰু আন বহু ঠাইত, নতুন সাংস্কৃতিক দিশতুল্য। সংযোগী বতৰা হৈ আহি পৰে এইখিনিতে যে, ১৯৪৮ চনত François Le Lionnais নামৰ এগৰাকী গণিতজ্ঞ আৰু লেখকে 'Les Cahiers du Sud' জাৰ্নেলৰ এক বিশেষ সংখ্যা উলিয়াইছিল। ইয়াত তেওঁ নক্সা এখন ৰচিছিল, যাক অভিহিত কৰিছিল– 'গাণিতিক চিন্তাৰ মহান সোঁত' বুলি। এই সংখ্যাটোত আছিল এক চাবিকাঠী তুল্য প্ৰগ্ৰেমেটিক উক্তি– বহবাকীৰ কৰ্ম-কৃতিৰ। Le Lionnais-এ সন্নিবিষ্ট কৰিছিল– তেওঁৰ সামগ্ৰিক অভিগমনখিনিক এক একীভুত কৰি লোৱা বহবাকীৰ শাৰীৰ গণিতৰ বিজ্ঞানক।

এই 'যোৰ প্ৰকাশে' মঞ্চখন থাপিছিল– ধাৰণাৰ আধুনিক বিকাশৰ বাবে– কুৰি শতিকাৰ দ্বিতীয়াৰ্ধত। লেভী-ষ্ট্ৰাছৰ কিতাপখনে সমাজ-বিজ্ঞানত পথ দেখুৱাইছিল আৰু বহবাকীয়ে তেনে কৰিছিল গণিতৰ জগখনত। দুয়োগৰাকীয়েই আগবঢ়াই নিছিল সংগ্ৰথনবাদৰ ধাৰণাক। সংগ্ৰথনবাদ আছিল এক গভীৰ প্ৰণালী যি আঁচ-মাৰি আঁতৰাই দিছিল এটা পদ্ধতিৰ সকলো অদৰকাৰী মৌলক। এৰি গৈছিল মাথোন তত্ত্বটোৰ বৈশিষ্টপূৰ্ণ বিন্দুসমক। নৃতত্ত্বত লেভী-ষ্ট্ৰাছে সেই কাম কৰিছিল, যি কাম কৰিছিল ভাষাবিজ্ঞানত জেকবছনে, আৰু যিখিনি বহবাকীয়ে আনিছিল গণিতলৈ। বহবাকীয়ে যত্ন কৰিছিল সকলো গণিতৰ কেন্দ্ৰলৈ বুলি, গঠনৰ দৰকাৰী মৌলৰ:

> সামৰণিত যুক্তিগতভাৱে আমি ইয়াকে কব পাৰোঁ– লেভী-ষ্ট্ৰাছ, জেকবছন, আৰু ভেইৰ সাৰমূলখিনিয়ে নিউয়ৰ্কত ১৯৪৩ ত নৃতত্ব, ভাষাবিজ্ঞান, আৰু গণিতক 'সংকৰণ'-প্ৰক্ৰিয়াৰে সহায় কৰিছিল সংগ্ৰথনবাদক সম্ভৱপৰ কৰি। আৰু যদিওবা গণিত আৰু সংগ্ৰথনবাদৰ মাজৰ কথোপকথনখিনি বৈ থকা নাছিল, তথাপি এই আকস্মিক যুঁজখনেই হৈ পৰিছিল এক সাংস্কৃতিক সম্পৰ্কৰ পৰিণতি।

পোনতে কিনশ্বিপৰ প্ৰাথমিক গঠনক আদৰি লৈছিল অস্তিত্ববাদীসকলে। চিমন ড্যু বভোৱাই কিতাপখন সপক্ষীয় দৃষ্টিভংগীৰে আলোচনালৈ আনিছিল। 'টেম্প্স মডাৰ্ণ'ত (ভলিউম. ৫, ১৯৪৯, পৃ: ৯৪৩-৯)। কিন্তু, মাত্ৰ ১৯৫০ অৰ পাছলৈ কিতাপখনে প্ৰকৃত হেঁচা দিবলৈ ধৰে– ফৰাছী বৌদ্ধিক মহলত। ১৯৬৮ অলৈ প্ৰতিপোষক হিচাপে, সংগ্ৰথনবাদে এই কিতাপখনত প্ৰক্ষিপ্ত হোৱা অনুসৰি অস্তিত্ববাদক অপসাৰিত কৰি ঠাই লৈছিল ফৰাছী দৰ্শনৰ শিখৰত। লেভী-ষ্ট্ৰাছ আৰু মিচেল ফুকোৰ দৰে আনসকলে তাৰ পাছত ফ্ৰান্সত ছাৰ্ট্ৰেৰ ঠাইত লৈছিল আধুনিক দৰ্শনৰ কেন্দ্ৰ স্থানত। লেভী-ষ্ট্ৰাছ আৰু নৃতত্বৰ উপৰি, ৰোল্যাণ্ড বাৰ্থ্ছে সংগ্ৰথনবাদক ব্যৱহাৰ কৰিছিল সাহিত্য আৰু সংস্কৃতি সমালোচনাত, জেক লেকানে ব্যৱহাৰ কৰিছিল মনোবিশ্লেষণত, আৰু মিচেল ফুকোৱে দৰ্শনত। আন ক্ষেত্ৰসমূহেও এই বিপ্লৱৰ ফল লাভ কৰিছিল। ১৯৫১ অত লেকান, লেভী, আৰু বেনভেনিষ্টে গণিতজ্ঞ জৰ্জ থিওডিউল গিল্ডবাউডৰে নিয়মীয়াকৈ লগ লাগিবলৈ আৰম্ভ কৰিছিল। উদ্দেশ্যটো আছিল, সমাজ বিজ্ঞান আৰু গণিতৰ মাজত গঠনৰ সম্পৰ্কত কাম কৰা আৰু লগতে 'লিংক' উন্মুক্ত কৰিবলৈ কৰা প্ৰচেষ্টাটো। এই ধাৰণাটো ৰোপিত হৈছিল আৰু ১৯৫০ অৰ পাছৰফালৰ পৰা ১৯৬০ ৰ শেষলৈকে এই কালছোৱাত। এইখিনি সময়ত বহবাকীয়ে মহত্তিতম অৱদান আগঢ়াই গৈছে: গণিতত সংগ্ৰথনবাদ 'সাকাৰ' হৈছিল।

সংগ্ৰথনবাদে, ইয়াৰ গণিতীয় খোঁচটোৰে হৈ পৰিছিল এক গুৰু সামাজিক আৰু সাংস্কৃতিক প্ৰপঞ্চ। এই পৰম্পৰাটো আকৰ্ষণীয় হৈ পৰিছিল, আন এখন কিতাপ প্ৰকাশৰ পাছত: ক্লড লেভী-ষ্ট্ৰাছৰ ষ্ট্ৰাকচাৰেল

এনথ্ৰোপোল'জী, ১৯৫৮ চনত প্ৰকাশ হোৱা (নিউয়ৰ্ক: বেচিক বুক্‌ছ)।

এই কিতাপখন প্ৰকাশৰ পাছত, ১৯৫৯ চনত দুখন সন্মিলন হৈছিল– উদ্দেশ্য আছিল– সংগ্ৰথনবাদৰ অৰ্থ আৱিষ্কাৰ কৰা আৰু ব্যাখ্যা কৰা। এই সন্মিলন দুখনত প্ৰধানকৈ বহবাকীৰ গাণিতিক গঠনৰ ধাৰণাই চৰ্চা লাভ কৰিছিল।

এনেদৰে 'গণিতীয় গঠন' এটা মূল চাবিকাঠী স্বৰূপ হৈ পৰিছিল, এই সন্মিলনবোৰত। সন্মিলনকেইখন উৎসৰ্গিত হৈছিল সমাজবিজ্ঞান আৰু এইবোৰৰ গঠনৰ প্ৰয়োগৰ ক্ষেত্ৰত। এই সন্মিলন দুখনৰ প্ৰথমখন হৈছিল পেৰিছত, ১৯৫৯ চনৰ জানুৱাৰীৰ ১০-১২ লৈ। আৰু ইয়াক নামকৰণ কৰা হৈছিল– 'মিনিংচ আৰু ইউজেছ অৱ দ্য টাৰ্ম ষ্ট্ৰাকচাৰ ইন দ্য হিউম্যান এণ্ড ছচিয়েল চায়েন্সেচ' (মানৱ আৰু সামাজিক বিজ্ঞানত 'গঠন' পদটোৰ অৰ্থ আৰু ব্যৱহাৰ)। সেই একে বছৰৰে ২৫ জুলাই আৰু ৩ আগষ্টৰ মাজত দ্বিতীয়খন সন্মিলন হৈছিল চেৰিচি লা-ছাল্লে'ত। ইয়াৰ বিষয়বস্তু আছিল 'জেনেছিচ আৰু ষ্ট্ৰাকচাৰ'। সংগ্ৰথনজগত আন্দোলনৰ মূল খেলুৱৈকেইজন তাত আছিল। পেৰিছ সন্মিলনত লেভী-ষ্ট্ৰাছ আৰু জন পিগেট চেৰিচি লা-ছাল্লে' সন্মিলনত। এই সন্মিলন কেইখনত গণিতে আহ্বান কৰিছিল এক সাৰ্বজনীন আৱেদন। আৰু লগতে তেনে আন এখনত, যিখন হৈছিল আহি থকা বছৰ কেইটাত।

> গণিত সমাজখনত থকা তেওঁৰ উচ্চ 'প্ৰফাইলটো'ৰ বাবে আৰু তেওঁৰ শৈক্ষিক পুনৰ্বিন্যাস কৰণৰ অৰ্পিত হৈ ৰোৱা দায়িত্বখিনিৰ বাবে, বহবাকী বৌদ্ধিক লোকাচাৰৰ মাজত বিৰিঙি উঠিছিল। তেওঁ হৈ পৰিছিল 'কঠোৰ যুক্তি', 'স্বীকাৰ্য', আৰু 'সংহতিতত্ত্ব'ৰ এটা 'একাৰ্থক যেন'।

পিছে বহুতো গ্ৰন্থকাৰে জোৰ দিছিল যে সংগ্ৰথনবাদ আগবঢ়াব পাৰি গণিত বিনেও।

সংগ্ৰথনবাদী কৰ্মৰ পৰা ভাষাবিজ্ঞানত জেকবছনে কৰিছিল, লেভী-ষ্ট্ৰাছে শিকিছিল 'পদসংখ্যাৰ বহুৰূপী অতিচাৰ'ৰে নত নহ'বলৈ বুলি। বাস্তৱটো আছিল– সৰলটোনো কি তাক বিচাৰিবলৈ খোজা, আৰু লগতে অতি বিশিষ্ট্যপূৰ্ণ সম্বন্ধটোৰে সিহঁতক বান্ধি ৰখা। জেকবছনে বিচাৰিছিল লঘিষ্ঠতম এককটো কথিত ভাষাৰ: 'ফ'নম'সমূহ। নৃতত্ত্বত লেভী-ষ্ট্ৰাছে তেনেদৰে বিচৰিছিল মৌলিক গঠনক। লেভী-ষ্ট্ৰাছৰ কিনশ্বিপৰ সাংগ্ৰথনিক বিশ্লেষণ, আৰু গণিতৰ বহবাকীৰ সাংগ্ৰথনিক দৃষ্টিভংগীয়ে পোনাইছিল, সিহঁতৰ লুকাই ৰোৱা গঠনক একীভূত কৰি, এইবোৰৰ যথাক্ৰমিক শৃংখলাৰ একত্ৰীকৰণৰ বাবে। সংগ্ৰথনবাদ আৰু বহবাকীবাদ শিখৰলৈ আহিছিল ১৯৬০ ৰ পাছলৈ আৰু তাৰ পাছত আহি পৰিছিল এক অৱনতি– উত্তৰ আধুনিকবাদে লৈ যোৱাৰ লগে লগে।

১৯৪৮ অত, লেভী-ষ্ট্ৰাছ উভটিছিল ফ্ৰান্সলৈ, আৰু এক বুজন সংখ্যক পদবীৰ অধিকাৰী হৈছিল। তেওঁ আছিল চি.এন.আৰ.এছ.ত গৱেষণাৰ মুৰব্বী আৰু পাছলৈ পেৰিছৰ 'মিউজিয়াম অৱ ম্যান'ত সহকাৰী সঞ্চালক। তাৰ পাছত তেওঁ নিৰ্বাচিত হৈছিল 'ৰিলিজিয়ন্স অৱ আন-চিভিলাইজ্‌ড পিউপল্‌ছ'অৰ, 'ইকোল প্ৰ্যাক্তিক ডেছ হাউট্‌ছ এটিউড্‌ছ'ৰ অধ্যাপকৰ চেয়াৰলৈ।

কোনো ক্ষেত্ৰৰ নিযুক্তিৰ পাছত এক সংখ্যক আফ্ৰিকীয় ছাত্ৰই এই নতুন অধ্যাপকক সুধিছিল এইবুলি– "আপুনি ক'ব পাৰেনে যে, চৰবোৰ্ণত আপোনাৰে যিসকলে আলোচনা কৰিবলৈ বুলি আহে, তেওঁলোক অসভ্য নেকি বাৰু?" তেতিয়া বিষয়-বস্তুটোৰ নাম ততাকৈয়াকৈ সলোৱা হৈছিল– 'ৰিলিজিয়ন্স্ অৱ পিউপল্‌ছ উইডাউট ৰাইটিংচ' বুলি। ১৯৫৯ ত লেভী-ষ্ট্ৰাছ নিৰ্বাচিত হৈছিল সন্মানিত কলেজ দ্য ফ্ৰান্সৰ এক উচ্চ পদবীলৈ।